ৰাজনীতি

দেশৰ তিনিখন চহৰত Metaৰ কার্যালয়ত যুৱ কংগ্রেছৰ প্রতিবাদ!

সামাজিক মাধ্যমৰ একাউণ্ট বন্ধ কৰাৰ বিৰুদ্ধে হায়দৰাবাদত মেটাৰ কার্যালয়ত প্রতিবাদ সাব্যস্ত কৰা যুৱ কংগ্রেছৰ প্রায় ২০ গৰাকী কর্মীক আৰক্ষীয়ে আটক কৰে।

প্রকাশ: ২১ নৱেম্বৰ ২০২৬, আবেলি ৫:৩০



সামাজিক মাধ্যমত যুৱ কংগ্রেছৰ পৃষ্ঠা বন্ধ কৰি ৰখা আৰু একাধিক পোষ্ট আঁতৰোৱাৰ অভিযোগক কেন্দ্র কৰি Meta-ৰ কার্যালয়ৰ সন্মুখত প্রতিবাদ সাব্যস্ত কৰিলে Indian Youth Congress-এ। হায়দৰাবাদৰ লগতে মুম্বাই আৰু গুৰুগ্রামতো সংগঠনটোৰ কর্মীসকলে প্রতিবাদ কৰে। হায়দৰাবাদত আৰক্ষীয়ে প্রায় ২০গৰাকী কর্মীক সাৱধানতামূলকভাৱে আটক কৰে। প্রায় তিনি ঘণ্টাৰ পাছত তেওঁলোকক মুকলি কৰি দিয়া হয়।

শুকুৰবাৰে হায়দৰাবাদৰ মাধাপুৰস্থিত Meta-ৰ কার্যালয়ত সংঘটিত হয় এই প্রতিবাদ। যুৱ কংগ্রেছৰ কর্মীসকলৰ অভিযোগ, Meta-ই তেওঁলোকৰ সামাজিক মাধ্যমৰ পৃষ্ঠা বন্ধ কৰি ৰাখিছে আৰু বহুতো পোষ্ট আঁতৰাই দিছে। এই বিষয়ত কোম্পানীটোৰ ওচৰত স্মাৰক-পত্র দাখিল কৰিবলৈ কার্যালয়লৈ গৈছিল প্রতিবাদকাৰীসকল।

তেলেংগানা যুৱ কংগ্রেছৰ সভাপতি শিৱ চৰণে কয় যে তেওঁলোকে শান্তিপূর্ণভাৱে প্রতিবাদ কৰিবলৈ গৈছিল যদিও কার্যালয়ৰ মূল ভৱনত প্রৱেশৰ অনুমতি দিয়া হোৱা নাছিল Meta-ই RSS আৰু BJP-ৰ পক্ষ লৈ কংগ্রেছৰ সামাজিক মাধ্যমৰ বিষয়বস্তুৰ প্রতি বৈষম্যমূলক আচৰণ কৰা বুলিও তেওঁ অভিযোগ কৰে।

প্ৰতিবাদৰ সময়ৰ ভিডিঅ’ সামাজিক মাধ্যমত বিয়পি পৰিছে। ভিডিঅ’ত কৰ্মীসকলক হাতত প্লেকার্ড লৈ কার্যালয় চৌহদত শ্লগান দি ঘূৰি ফুৰা দেখা গৈছে। আন এটা দৃশ্যত এজন প্ৰতিবাদকাৰীয়ে কার্যালয়ৰ বাহিৰত এটা ফুলৰ টাব মাটিত দলিয়াই ভঙা দেখা যায়। আন এক ভিডিঅ’ত কার্যালয়ৰ কেফেটেৰিয়াৰ কাষতো প্ৰতিবাদকাৰীসকলে শ্লগান দিয়া দেখা গৈছে।

আৰক্ষীৰ মতে, প্ৰতিবাদকাৰীসকলে কার্যালয় চৌহদত প্ৰৱেশ কৰিছিল যদিও Meta-ৰ মূল ভৱনলৈ যাব পৰা নাছিল। ফুলৰ টাব ভঙাৰ ঘটনাটো কার্যালয়ৰ বাহিৰত সংঘটিত হৈছিল Meta-ৰ বিষয়ববীয়াসকলে কোনো আনুষ্ঠানিক অভিযোগ দাখিল নকৰাত ঘটনাটোক লৈ গোচৰ ৰুজু কৰা হোৱা নাই।

ইফালে, Indian Youth Congress-এ সামাজিক মাধ্যমত প্ৰকাশ কৰা পোষ্টত দেশৰ বিভিন্ন প্ৰান্তত Meta-ৰ কার্যালয়ৰ সন্মুখত প্ৰতিবাদ অব্যাহত ৰখাৰ কথা ঘোষণা কৰে। সংগঠনটোৱে সকলো একাউণ্টৰ ওপৰত থকা বাধা সাত দিনৰ ভিতৰত আঁতৰাবলৈও দাবী জনায়।

আনহাতে, মুম্বাই আৰু গুৰুগ্ৰামতো একেধৰণৰ প্ৰতিবাদ সাব্যস্ত কৰা হয়। মুম্বাইত প্ৰতিবাদকাৰীসকলে কেন্দ্ৰীয় তথ্য-প্ৰযুক্তি আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱৰ প্ৰতিমূৰ্তি দাহ কৰা বুলি প্ৰতিবেদনত প্ৰকাশ পাইছে।

প্ৰতিবাদৰ পাছত Indian Youth Congress-এ দাবী কৰে যে সংগঠনটোৰ সভাপতি আৰু ইনচার্জৰ Instagram একাউণ্ট পুনৰ সক্ৰিয় কৰা হৈছে। অৱশ্যে Meta-ৰ তৰফৰ পৰা এই অভিযোগসমূহৰ সন্দৰ্ভত কোনো বক্তব্য প্ৰকাশ পোৱা নাই।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4937/hyderabad-meta-office-youth-congress-protest-detained